কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☎: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :
*Ref :*

তাৰিখ :
*Date :*

# 'Assam Jatiya Bidyalay is not merely a school but a movement' says former DGP of Assam Mr. Mukesh Sahai

**Noonmati, 23 January, 2019 :** The Annual Sports Week of Assam Jatiya Bidyalay starts with a spectacular parade where twelve troops (320 students) from class VI-XI participated. Former DGP of Assam Mr. Mukesh Sahai was present as the chief guest of the programme. After receiving the ceremonial guard of honor in the March-Past competition the former DGP praises the initiative taken by the school to engage its students in sportive activity which he mentions 'a great support' in the all round development of an individual. He also appeals to everyone to become compassionate to the less privileged class of the society and all the living creatures. In his speech he emphasizes the importance of one's mother tongue. Mrs. Kamala Uzir, Mr. Siddheswar Sutradhar and Mr. Ranajit Basu were also present as judges in the March-past competition. The event was begun with the hoisting of the school flag by the Principal Mr. Ghanashyam Medhi. The sports week flame was lit by torchbearers Darshana Dutta Choudhury and Mihirjyoti Sarma, the best players of the previous year. The programme was conducted by Mrs. Aparajita Dutta and Mr. Dhruba Sarma, senior teachers of the school. Mr. Jayanta Deka and Mr. Kunjar Das are the convenors of this annual sports week which will conclude on January 29.

Ghanashyam Medhi

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay
Noonmati, Guwahati

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী-৭৮১০২০

Noonmati, Guwahati - 781020

কৰ্ম মোৰ সংস্কৃতি

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ :

*Ref :*

তাৰিখ :

*Date* :

## ‘জাতীয় বিদ্যালয় এটা অনুষ্ঠানেই নহয়, ই এক আন্দোলন’

### অসম জাতীয় বিদ্যালয়ৰ বাৰ্ষিক খেল-ধেমালি অনুষ্ঠানত অসমৰ ভূতপূৰ্ব আৰক্ষী সঞ্চালক প্ৰধান মুকেশ সাহায়

**নুনমাটি, গুৱাহাটী, ২৩ জানুৱাৰি, ২০১৯** : এক দৃষ্টিনন্দন মাৰ্চ-পাষ্ট প্ৰতিযোগিতাৰ আয়োজনেৰে আজি নুনমাটিৰ অসম জাতীয় বিদ্যালয়ৰ বাৰ্ষিক খেল-ধেমালি অনুষ্ঠানৰ আৰম্ভণি হয়। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসমৰ ভূতপূৰ্ব আৰক্ষী সঞ্চালক প্ৰধান মুকেশ সাহায়। ‘জাতীয় বিদ্যালয় এটা অনুষ্ঠানেই নহয়, ই এক আন্দোলন’— আৰম্ভণি অনুষ্ঠানত মাৰ্চ-পাষ্টৰ অভিবাদন গ্ৰহণ কৰি এই মন্তব্য প্ৰদান কৰে মুখ্য অতিথি মুকেশ সাহায়ে। তেওঁ সমাজৰ পিছপৰা শ্ৰেণীৰ লোকসকলৰ প্ৰতি আৰু জীৱজগতৰ সকলো প্ৰাণীৰ প্ৰতি সংবেদনশীল হ’বলৈ শিক্ষাৰ্থীসকলক আহ্বান জনায়। শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশেই শিক্ষাৰ মূল উদ্দেশ্য বুলি মত প্ৰকাশ কৰি বিশিষ্ট অতিথি গৰাকীয়ে বিদ্যালয়খনৰ বিভিন্ন কাৰ্যাৱলীৰ প্ৰশংসা কৰাৰ লগতে বিদ্যালয়খনৰ সামগ্ৰিক পৰিৱেশৰ শলাগ লয়। আজিৰে পৰা অহা ২৯ জানুৱাৰিলৈকে অনুষ্ঠিত হ’বলগীয়া খেল-ধেমালি উপলক্ষে বিদ্যালয়ৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে অধ্যক্ষ ঘনশ্যাম মেধিয়ে। বিদ্যালয় সপ্তাহৰ শিখা প্ৰজ্বলন কৰে যোৱা বৰ্ষৰ শ্ৰেষ্ঠ খেলুৱৈ মিহিৰজ্যোতি শৰ্মা আৰু দৰ্শনা দত্ত চৌধুৰীয়ে। প্ৰথম কাৰ্যসূচী হিচাপে আয়োজন কৰা মাৰ্চ-পাষ্ট প্ৰতিযোগিতাত বিচাৰক হিচাপে উপস্থিত থাকে ভাৰত স্কাউট এণ্ড গাইড (অসম)ৰ ভূতপূৰ্ব প্ৰশিক্ষণ আয়ুক্ত ৰণজিত বসু, স্কাউট প্ৰশিক্ষক সিদ্ধেশ্বৰ সূত্ৰধাৰ আৰু কমলা উজীৰ। উল্লেখ্য যে, বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ পৰা একাদশ শ্ৰেণীলৈকে প্ৰায় ৩২০ গৰাকী শিক্ষাৰ্থী প্ৰতিযোগীৰ মুঠ ১২টা দলে এই মাৰ্চ-পাষ্ট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। আজিৰ সমগ্ৰ অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী অপৰাজিতা দত্ত আৰু জ্যেষ্ঠ শিক্ষক ধ্ৰুৱ শৰ্মাই। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী, সচিব ডা° নাৰায়ণ শৰ্মা, বিদ্যালয়খনৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকা আৰু শৈক্ষিক বিষয়া নৰেন্দ্ৰ মোহন গোস্বামীও এই অনুষ্ঠানত উপস্থিত থাকে। অহা ২৯ জানুৱাৰিত সমাপ্ত হ’ব লগা বাৰ্ষিক খেল-ধেমালি অনুষ্ঠানৰ আহ্বায়কৰ দায়িত্বত আছে বিদ্যালয়ৰ শিক্ষক জয়ন্ত ডেকা আৰু কুঞ্জৰ দাস।

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০